# কোচে মেচে পূজিবেক মোহৰ বাক্যত

অৰূপজ্যোতি দাস

*"History is but a pack of tricks we play on the dead." Voltaire*

যোৱা বছৰ সংঘটিত হোৱা বিটিএডিৰ গোষ্ঠী সংঘৰ্ষৰ আচোৰ সেই অঞ্চলত এতিয়াও মাৰ যোৱা নাই। এতিয়াও বহু ঘৰ আধা পোৱা হৈ অপেক্ষা কৰি আছে ঘৰৰ বাসিন্দা ওভটি অহালৈ, পিছে তেওঁলোক আহিবকে পৰা নাই। হয়তো সাহস গোটাবা পৰা নাই অথবা অইন কৰবাত থিতাপি লৈছে সংঘৰ্ষৰ বিষময় স্মৃতি পাহৰিবলৈ। বিটিএডিৰ গোষ্ঠী সংঘৰ্ষৰ স্মৃতি সজীৱ হৈ থাকোতেই ৰাভা হাচঙৰ সংঘৰ্ষই আমাক পুণৰ জোকাৰি গ'ল। দুখৰ বিষয় ৰাভা হাচঙৰ সংঘৰ্ষ মাৰ নৌ যাওতেই বিটিএডিত পুণৰাই সংঘৰ্ষৰ পটভূমি এটি ৰচনা হ'বলৈ ধৰিছিল। দৰং ৰাজবংশাৱলীক ভিত্তি কৰি প্ৰস্তুত কৰা দুটা প্ৰশ্নত কোচ ৰজা নৰনাৰায়ণক বড়োমেচ বুলি অভিহিত কৰা আৰু তেওঁলোকে বাথৌ খেৰাই পুজা কৰা বুলি উল্লেখ কৰাত তথা আক্ৰাছুৱে তাৰে প্ৰতিবাদত কৰাত বিটিএডিত অশান্ত হৈ পৰিল। অৱেশ্য পৰিস্থিতিৰ গুৰুত্ব বুজি হাগ্ৰামা মহিলাৰীয়ে উক্ত পৰীক্ষা বাতিল কৰাৰ লগতে কোচৰ ইতিহাস বিকৃত কৰাৰ বাবে ৰাজহুৱাভাৱে ক্ষমাও খোজে। দূৰ্ভাগ্যৰ কথা যে মহিলাৰী ডাঙৰীয়াৰ এই সদিচ্ছা আৰু দূৰদৰ্শিতাক বুজি নাপাই 'বিশ্ব বড়ো ইতিহাস সন্থা' নামৰ সংগঠনটোৱে হাগ্ৰামাৰ ইতিহাস জ্ঞান নাই বুলি আক্ৰাছুক প্ৰত্যাহ্বান জনোৱা কাৰ্যটোৱে পৰিস্তিতি অধিক জটিল কৰি পেলাইছে। গেইট, সূৰ্য কুমাৰ ভূঞা বা 'দ্য কোচ কিংডম'ৰ দৰে গৱেষণা লব্ধ গ্ৰন্থৰ ৰচিয়তা ডঃ ডি নাথৰ আদিৰ দৰে ইতিহাসবিদক প্ৰত্যাহ্বান নজনাই 'বিশ্ব বড়ো ইতিহাস সন্থা'-এ কিয় বাৰে বাৰে আক্ৰাছুৰ দৰে সংগঠনক প্ৰৰোচিত কৰি আহিছে সেয়া নিশ্চয় চিন্তনীয়।

এতিয়া কথা হ'ল, ইতিহাসৰ টনা আজোৰা নতুন বিষয় বস্তু নহয়। হোমাৰৰ মৃত্যুৰ পিছত গ্ৰীছৰ পাচখন নে ছয় খন চহৰৰ বাসিন্দাই তেওঁলোকৰ চহৰখনেই হোমাৰৰ জন্মস্থান বুলি দাবী কৰিছিল। ঠিক সেইদৰে, থাইলেণ্ডৰ বহুতেই দাবী কৰে যে ৰামায়ণত উল্লেখিত অযোধ্যা আচলতে ভাৰতত নহয়, থাইলেণ্ডতহে আছে। জনপ্ৰিয় ইতিহাসৰ, ঐতিহাসিক চৰিত্ৰৰ, পৌৰাণিক কাহিনীৰ বহুতেই দাবীদাৰ হৈ পৰে, সেয়াই স্বাভাৱিক। তেনেকুৱা এটি পৰম্পৰাতে বড়োসকলে ডিমাচা আৰু কোচৰ ইতিহাসৰ দাবীদাৰ হৈ উঠিব পাৰে তাতো একো অস্বাভাৱিকতা নাই। তাতেই যিহেতু এই তিনিওটা জনগোষ্ঠীৰ মূল একেই। আজি বড়ো বুলি পৰিচিত অসমৰ জনগোষ্ঠীটোৱে তেওঁলোকৰ জাতীয়তাবাদী ইতিহাস গঠনৰ প্ৰয়োজনীয়তা সমগোত্ৰীয় কোচ বা ডিমাচাসকলৰ ইতিহাস ব্যৱহাৰ কৰি দিব পাৰে। তেনেকুৱা এটি প্ৰয়োজনীয়তাতে ডিমাচা জাতীয় কিংবদন্তী ডেমালু কেম্প্ৰাই 'দৈমালু' হৈ পেলাই বড়ো হৈ পৰিল। এই ক্ষেত্ৰত কিন্তু ডিমাচাসকলৰ আপত্তি থাকিবও পাৰে।

বিতৰ্কিত প্ৰশ্ন দুটাৰ আধাৰ দৰং ৰাজবংশাৱলী। পিছে প্ৰশ্ন দুটাত উল্লেখ কৰাৰ দৰে বড়ো শব্দৰ উল্লেখ দৰং ৰাজবংশাৱলীৰ কতো নাই। তেনেদৰে উল্লেখ নাই বাথৌ খেৰাই পুজাৰ। এয়া প্ৰশ্ন কাকতহে আছে। অধিক কি দৰং ৰাজবংশাৱলীত কোচ আৰু মেচ সমাৰ্থক হিচাপেহে ব্যৱহাৰ কৰা হৈছে, বিপৰীত হিচাপে নহয়। আচলতে দৰং ৰাজবংশী কোচ মেচৰ সমন্বয়ৰহে বাট মুকলি কৰিব লাগিছিল, কাজিয়াৰ নহয়। তাৰোপৰি পৌৰাণিক আখ্যান সম্বলিত দংৰ ৰাজবংশাৱলীত (যাৰ বাবে গেইটে ইয়াৰ ঐহিহাসিক মূল্যৰ প্ৰতি সন্দেহ প্ৰকাশ কৰিছে) কামতা ৰাজ্যত কোচ ৰাজবংশৰ প্ৰতিষ্ঠাতা বিশ্বসিংহৰ মাতৃ হীৰা কুচনীৰ আৰু পিতৃ মহাদেৱ বুলি উল্লেখ আছে। বিজনী ৰাজবংশাৱলীত একেই কথা লিখা আছে। উল্লেখযোগ্য যে লোক সাহিত্যত শিৱ আৰু কুচনী সম্পৰ্কক লৈ বহুতো গীতৰ উল্লেখ পোৱা যায়। যেনে গাৰোপাহাৰৰ শিৱ গীতত পোৱা যায় ,

" বাৰ গাঁও কুঁচনী বাঁচা বাড়া ঠাই।  
বাঘ চামৰা পৈৰা বসি আছে ভাঙুৱা শিৱাই।।  
হীৰাই কুচনী, জীৰাই কুচনী নামে মধুমালা।  
কালী, কেনে নাযায় তুই আমাৰ কোচ পাৰা।

(খলিল কোচ, লোক সাহিত্যত শিৱ আৰু কুচনী, অসমীয়া প্ৰতিদিন, ১৩ আগষ্ট, ২০০৫)। এনেকুৱা উদাহৰণ বহুত আছে।

এই হীৰা কুচনী আৰু জীৰাই কুচনীয়ে হাৰীয় মণ্ডল বা মেচক বিয়া কৰাই। বিশুৰ জন্ম মাতৃতান্তিক কোচ সমাজত হোৱা বাবে তেওঁ কোচ পৰিচয় গ্ৰহণ কৰে। গাৰো পাহাৰৰ কোচ সকল আজিও মাতৃতান্ত্ৰিক। অৱশ্যে ভূঞাসকলক দমন কৰি

কামতাত কোচ ৰাজবংশ প্ৰতিষ্ঠা কৰি বিশুয়ে শাক্ত হিন্দু ধৰ্ম গ্ৰহণ কৰি বিশ্বসিংহ নাম লয়। বিশ্বসিংহই হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজকে শিৱবংশী বুলি ঘোষণা কৰে। শাক্ত হিন্দুৰ পৰম্পৰা অনুসৰি তথা অন্য ৰাজবংশৰ পৰম্পৰা অনুসৰি বিশ্বসিংহৰ সন্তানসকলে আকৌ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত সোমাই পৰে। এতিয়া বিশ্বসিংহক মেচ বুলি ক'লে ই মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰতি ঘোৰ অপমান হয়। আচলতে আমাৰ সমজখনেই পুৰুষ তান্ত্ৰিক, সেয়ে হীৰা কুচনীক যি সন্মান ইতিহাসবিদ সকলে দিব লাগিছিল, সেয়া দিব পৰা নাই। অৱশ্যে উপনিৱেশিককেই হওক, জাতীয়তাবাদীই হওক বা মৌলবাদী ইতিহাসবিদেই হওক সকলোতে পুৰুষৰ দপদপনি।

কোচ জনগোষ্ঠীৰ পৰা কোচ ৰাজতন্ত্ৰলৈ পৰিবৰ্তিত হোৱা, কছাৰীকে আদি কৰি অন্যান্য জাতি কোচত সোমাই কোচ ৰাজবংশী সামজিক গোট সৃষ্টি কৰা আদি এক সামাজিক প্ৰক্ৰিয়া, ইয়াক আমি আজি মচি দিব নোৱাৰো। আজি যেনেদৰে বড়ো সকলে পুণৰাই মেচ পৰিচয়লৈ উভতিব বিচাৰিলে কেনেৰো বাধা দিব নোৱাৰে, ঠিক তেনেদেৰ কোচ পৰিচয় ত্যাগ কৰা ৰাজবংশীসকলে যদি পুণৰাই কোচ পৰিয়চয়লৈ উভতি যায় তেনেহ'লে তাতো কোনেও বাধা দিব নোৱাৰে। যেনেদৰে হাড়িয়া মণ্ডলক দৰং ৰাজবংশাৱলীৰ পৰা মচি দিব পৰা নাযায়, তেনেদৰে বড়ো শব্দটোও তাত ভৰাই দিব পৰা নাযায়। কিন্তু যি কৰিব পৰা যায় সেয়া হ'ল, দৰং ৰাজবংশাৱলীত কোৱাৰ দৰে "কোচে মেচে পূজিৱেক মোহৰ বাক্যত"..অৰ্থাৎ কোচ আৰু মেচক একেলগে থকাৰ কথা কৈছে। সেয়ে যেতিয়া নতুনকৈ পৰীক্ষা অনুষ্ঠিত হ'ব, তেতিয়াও এটা প্ৰশ্ন দৰং ৰাজ বংশাৱলীৰ আধাৰতে হওক, আৰু প্ৰশ্নটো হওকঃ

মহাৰাজ নৰনায়াণে কোচ আৰু মেচক একেলগে কি কৰিবলৈ দিছিল?

ক) কাজিয়া খ) পুজা কৰিবলৈ

শু দ্ধ উত্তৰটো নিশ্চয় টান নহয়।